# Sixth India-Nepal Joint Commission Meeting

January 15, 2021

# ষষ্ঠ ভাৰত-নেপাল যুটীয়া পৰিষদ বৈঠক

জানুৱাৰী 15, 2021

ভাৰত-নেপাল যুটীয়া পৰিষদৰ যষ্ঠখন বৈঠকৰ সহ-সভাপতিত্ব কৰে ভাৰতৰ বিদেশ বিষয়ক মন্ত্ৰী ডঃ এছ জয়শংকৰ আৰু নেপালৰ বিদেশ বিষয়ক মন্ত্ৰী, মাননীয় মিঃ প্ৰদ্বীপ কুমাৰ গুৱালীয়ে নতুন দিল্লীত 15 জানুৱাৰী 2021 তাৰিখে। দুয়ো প্ৰতিনিধিত্বৰ ভিতৰত থাকে ভাৰতৰ বিদেশ সচিব, শ্ৰী হৰ্ষ বৰ্ধন শ্ৰীংলা আৰু নেপালৰ বিদেশ সচিব, মিঃ ভাৰত ৰাজ পাউৰাল আৰু দুয়ো পক্ষই আন জ্যেষ্ঠ বিষয়াসকল।

যুটীয়া পৰিষদে বিস্তৃতভাৱে নিৰীক্ষণ কৰে দুয়োখন দেশৰ মাজৰ বহুমুখীয়া সহযোগিতাৰ সকলো দিশ আৰু পাৰম্পৰিক ঘনিষ্ঠ আৰু বন্ধুত্ব বান্ধোন আৰু শক্তিশালী কৰাৰ বাবে উপায় সন্ধান কৰে। দুয়ো পক্ষই সহযোগিতাৰ বিভিন্ন ক্ষেত্ৰ আলোচনা কৰে যাৰ ভিতৰত থাকে সংযোগ, অৰ্থনীতি আৰু বাণিজ্য, শক্তি, তেল আৰু গেছ, জল সম্পদ, ৰাজনৈতিক আৰু সুৰক্ষা বিষয়, সীমা পৰিচালন, উন্নয়ন আংশীদাৰীত্ব, পৰ্যটন, সংস্কৃতি, শিক্ষা আৰু ক্ষমতা নিৰ্মাণ। যুটীয়া পৰিষদৰ পূৰ্ববৰ্তী বৈঠকৰ পিছত বহুতো বহুপক্ষীয় পদক্ষেপ আগবঢ়াই নিয়াত হোৱা গুৰুত্বপূৰ্ণ আৰু বাস্তৱিক প্ৰগতিৰ স্বীকৃত কৰা হয়।

কোভিড-19 মহামাৰীৰ বিৰুদ্ধে যুঁজাৰ ক্ষেত্ৰত দুয়ো পক্ষৰ মাজৰ ঘনিষ্ঠ সহযোগিতা উল্লেখ কৰা হয়। নেপালে ভাৰতক অভিনন্দন জ্ঞাপন কৰে কোভিশ্বীল্ড আৰু কোভেক্সিন প্ৰতিষেধকৰ অসাধাৰাণ সফলতাৰ বাবে আৰু নেপাললৈ দ্ৰুত প্ৰেৰণৰ বাবে অনুৰোধ কৰে।

মতীহাৰী-আমলেখগড় পেট্ৰোলিয়ান উৎপাদন পাইলাইনে অৰ্জন কৰা কৃতি উল্লেখ কৰে, দুয়ো পক্ষই চীটৱানলৈ সেই পাইপলাইন বৃদ্ধি কৰা আৰু পূৰ্ব দিশত এক নতুন পাইপলাইন স্থাপন কৰাৰ কথা আলোচনা কৰে যি চিলিগুৰীক নেপালৰ ঝাপাৰ সৈতে সংযুক্ত কৰিব।

দুয়ো পক্ষই আদৰণি জনাই ভাৰত আৰু নেপালৰ মাজৰ জনকপুৰ হৈ জয়নগৰৰ পৰা কুৰ্থালৈ প্ৰথমখন যাত্ৰীবাহী ৰেল লাইনৰ কাম সম্পন্ন হোৱাত, আৰু উল্লেখ কৰে যে ট্ৰেইন সেৱাৰ আৰম্ভণিৰ বাবে কাৰ্যকৰি প্ৰক্ৰিয়াসমূহৰ চূড়ান্তকৰণ হৈ আছে। আন সীমান্ত পাৰ ৰেল সংযোগ প্ৰকল্পও আলোচনা কৰা হয়, যাৰ ভিতৰত থাকে এক সম্ভাৱ্য ৰাক্সাউল-কাঠমাণ্ডু বহল গ'জ ৰেল লাইন।

যুটীয়া পৰিষদে জোৰ দিয়ে সীমান্তৰ মাজেদি মানুহ আৰু সামগ্ৰীৰ চলাচলৰ সুবিধাৰ প্ৰয়োজনৰ ওপৰত। এয়া উল্লেখ কৰা হয় যে শেহতীয়াকৈ বীৰগাঞ্জ আৰু বিৰাটনগৰত উদ্বোধনী কৰা সমন্বিত চেক্ পষ্টে দুয়োখন দেশৰ মাজত মানুহ আৰু বাণিজ্যৰ কষ্টহীন চলাচলত সহায় কৰিছে। দুয়ো পক্ষই নেপালগাঞ্জত তৃতীয় আই চি পি-ৰ নিৰ্মাণৰ সমাপ্তিৰ আদৰণি জনাই। ভাৰতে উল্লেখ কৰে যে ভাইৰাহৱাত অতি সোনকালে নতুন আই চি পি-ৰ নিৰ্মাণ আৰম্ভ কৰা হ'ব। যুটীয়া জলবিদ্যুৎ প্ৰকল্পসমূহৰ গতি দ্ৰুত কৰাৰ বিষয়ে আলোচনা কৰা হয়, যাৰ ভিতৰত থাকে প্ৰস্তাৱিত পঞ্চেশ্বৰ বহুপ্ৰয়োজনৰ প্ৰকল্প, যি দুয়োখন দেশৰ মানুহৰ বাবে বহুতো সুবিধা কঢ়িয়াই আনিব।

ভাৰতে উল্লেখ কৰে যে নেপালত আৰু দুটা সাংস্কৃতিক ঐতিহ্য প্ৰকল্প আৰম্ভ কৰিব, যি হৈছে, পশুপতিনাথ নদী পাৰ উন্নয়ন আৰু ভাণ্ডাৰখল বাগিছা পুনঃপ্ৰতিষ্ঠা পতন দৰবাৰত, অনুদান সাহায্যৰ সৈতে।

দুয়ো পক্ষই ভাৱ বিনিময় কৰে আন্তঃৰাষ্ট্ৰীয়, আঞ্চলিক আৰু উপ-আঞ্চলিক সহযোগিতাৰ ওপৰত। নেপালে সমৰ্থন প্ৰকাশ কৰে ভাৰতৰ স্থায়ী সদস্যতাৰ বৰ্ধিত ৰাষ্ট্ৰ সংঘ সুৰক্ষা পৰিষদত শক্তিৰ পৰিৱৰ্তিত ভাৰসাম্য প্ৰতিফলন কৰাৰ বাবে।

দুয়ো পক্ষই সন্মত হয় এক পাৰস্পৰিকভাৱে সুবিধাৰ তাৰিখত নেপালত যুটীয়া পৰিষদৰ আগন্তুক বৈঠক অনুষ্ঠিত কৰিবলৈ।

**নতুন দিল্লী**
**জানুৱাৰী 15, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.